Under CSR Support by ipca | Foundation missiongyan

# অধ্যায় - ৭ | পৰিয়াল

## QUIZ-01

**১. কবিতাটিত "মৰমৰ আই" বুলি কাক বুজোৱা হৈছে?**
A. আইতা
B. দেউতা
C. মাতৃ
D. বাইদেউ
**Answer:** C
**Explanation:** কবিতাটোত "মৰমৰ আই" শব্দই মাতৃক বুজাইছে।

**২. কবিৰ মাকে সৰু অৱস্থাত কবিক কেনেদৰে মৰম কৰিছিল ?**
A. খং কৰি
B. তুলি-তালি কৰি
C. গালি দি
D. এৰি থৈ
**Answer:** B
**Explanation:** কবিতাত মাকে কবিক তুলি-তালি কৰি মৰম কৰা বুলি কোৱা হৈছে।

**৩. কবিৰ মাকে কবিক কেনেকুৱা মাতেৰে মাতিছিল ?**
A. কঠোৰ মাতেৰে
B. ডাঙৰ মাতেৰে
C. মিঠা মাতেৰে
D. ভয় লগা মাতেৰে
**Answer:** C
**Explanation:** কবিতাত "মিঠা মাতে" বুলি উল্লেখ আছে।

**৪. কবিৰ মাকে কবিক ক'ত শুৱাই ৰাখিছিল?**
A. বিচনাত
B. চকীত
C. বুকুত
D. বাহুত
**Answer:** C
**Explanation:** "বুকুত শুৱাই" বুলি কবিতাত উল্লেখ কৰা হৈছে।

**৫. কবিৰ মাকে চকুপানী কেতিয়া বোৱাইছিল?**
A. কবি হাঁহিলে
B. কবি খেলিলে
C. কবি টোপনি গ'লে
D. কবি দুখ পাই কান্দিলে
**Answer:** D
**Explanation:** কবিয়ে দুখ পাই কান্দিলে মাকে চকুপানী বোৱাইছিল।

**৬. কবিয়ে নৰিয়াত পৰিলে মাকে কি কৰিছিল?**
A. এৰি দিছিল
B. দূৰত থাকিছিল
C. মুখলৈ চাই যত্ন লৈছিল
D. গালি দিছিল
**Answer:** C
**Explanation:** নৰিয়াত পৰিলে মাকে একেথিৰে মুখলৈ চাই যত্ন লৈছিল।

**৭. কবি থিয় হ'বলৈ ধৰোতেই কোনে ততালিকে লৰি আহিছিল?**
A. দেউতাই
B. আইতাই
C. মাকে
D. বাইদেউৱে
**Answer:** C
**Explanation:** কবিতাত মাকে ততালিকে লৰি অহাৰ কথা কোৱা হৈছে।

**৮. কবিৰ মাকে কবিক কেনেদৰে নিচুকাইছিল ?**
A. চুমা খাই
B. মুখখনি চাই
C. নাম-গুণ গাই
D. হাত ধৰি
**Answer:** C
**Explanation:** কবিতাত মাকে নাম-গুণ গাই নিচুকোৱা বুলি উল্লেখ আছে।

**৯. কবিয়ে আইৰ প্ৰতি কি বাঢ়োক বুলি প্ৰাৰ্থনা কৰিছে?**
A. ধন-সম্পত্তি
B. খং
C. চেনেহ-ভকতি
D. ভয়
**Answer:** C
**Explanation:** কবিয়ে আইৰ প্ৰতি নিজৰ চেনেহ-ভকতি বাঢ়ক বুলি প্ৰাৰ্থনা কৰিছে।

**১০. কবিতাটোৰ মুখ্য ভাব কি ?**
A. শিশুৰ খেল-ধেমালি
B. মাতৃ-সন্তানৰ মৰম আৰু সম্পৰ্ক
C. পৰিয়ালৰ আনন্দ
D. শৈশৱৰ দুখ
**Answer:** B
**Explanation:** কবিতাটোত মাতৃ আৰু সন্তানৰ গভীৰ মৰমৰ সম্পৰ্ক প্ৰকাশ পাইছে।

মিছন জ্ঞান
জব চাহেঁ, জহাঁ চাহেঁ, জৈসে চাহেঁ!
100% FREE!
VIDEO COURSES | QUIZ | TEST SERIES
Download Mission Gyan App

DOWNLOAD MISSION GYAN APP